প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

### ফেচবুকত চৰকাৰৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য

# ঢেকিয়াজুলি উন্নয়ন খণ্ডৰ পঞ্চায়ত শাখাৰ সম্প্ৰসাৰণ বিষয়া মৃদুস্মিতা দাসক নিলম্বন

**গুৱাহাটী ০১ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি উন্নয়ন খণ্ডৰ সম্প্ৰসাৰণ বিষয়া (পঞ্চায়ত) মৃদুস্মিতা দাসক তৎকালীনভাৱে বলবৎ হোৱাকৈ নিলম্বন কৰা হৈছে।

সম্প্ৰসাৰণ বিষয়াগৰাকীয়ে তেওঁৰ ফেচবুক একাউণ্ট যোগে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য আগবঢ়াইছিল। এই কথা দৃষ্টিগোচৰ হোৱাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত হেমেন দাসে তেওঁলৈ কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰিছিল। কিন্তু এই জাননীৰ উত্তৰ সন্তোষজনক নোহোৱাৰ বাবে আৰু তেওঁৰ এই কাৰ্য চৰকাৰী কৰ্মচাৰীৰ চাকৰিৰ নিয়মাৱলীৰ পৰিপন্থী হোৱা হেতুকে অসম অসামৰিক সেৱাৰ নিয়মাৱলী, ১৯৬৫ ৰ ৭ (i) ভংগ কৰাৰ অপৰাধত তেওঁক নিলম্বন কৰা হয়।

*এমআৰডি/০১-০৯-২০২০*